দেশ

# SIRক লৈ নির্বাচন আয়োগক ৪৮টা প্রশ্ন বিৰোধীৰ, উচ্চতম ন্যায়ালয়ৰ অনুমতি বিচাৰিলে ৰাহুল গান্ধীসহ ইণ্ডিয়া মিত্রজোঁটে

এছআইআৰ প্রক্রিয়াক লৈ ৪৮টা প্রশ্নৰ উত্তৰ বিচাৰি ৰাহুল গান্ধীসহ ইণ্ডিয়া মিত্রজোঁটে সর্বোচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ৯:১২

নির্বাচনী তালিকাৰ বিশেষ সংশোধন (SIR) প্রক্রিয়াক কেন্দ্র কৰি নির্বাচন আয়োগৰ ভূমিকা আৰু সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াক লৈ ৪৮টা প্রশ্ন উত্থাপন কৰিছে বিৰোধী মিত্রজোঁট ‘ইণ্ডিয়া’ই। এই প্রশ্নসমূহৰ উত্তৰ নির্বাচন আয়োগৰ পৰা বিচৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ অনুমতি বিচাৰি আবেদন দাখিল কৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীসহ বিৰোধী নেতাসকলে।

হিন্দুস্তান টাইমছৰ প্রতিবেদন অনুসৰি, আবেদনকাৰীসকলে মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, আন দুগৰাকী নির্বাচন আয়ুক্ত আৰু আয়োগৰ তথ্য-প্রযুক্তি বিভাগৰ সঞ্চালক প্রধানৰ পৰা পৃথকে পৃথকে শপতনামাৰ জৰিয়তে উত্তৰ বিচাৰিছে।

কংগ্রেছে অভিযোগ কৰিছে যে নির্বাচন আয়োগে উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাত SIRক লৈ উত্থাপিত গুৰুত্বপূর্ণ প্রশ্নসমূহৰ উত্তৰ দিয়া নাই। বিৰোধীৰ দাবী, দেশজুৰি SIR কার্যসূচী গ্রহণৰ সিদ্ধান্ত কোনে লৈছিল, কেতিয়া লৈছিল আৰু এই সিদ্ধান্তৰ আঁৰত কি প্রক্রিয়া অনুসৰণ কৰা হৈছিল, সেই বিষয়ে স্পষ্ট তথ্য প্রকাশ কৰা হোৱা নাই।

আবেদনখনত নির্বাচন আয়ুক্তসকলৰ মাজত SIR, ECINET, Form 6 আৰু আপীল দাখিলৰ বিষয়ত মতানৈক্য বা আপত্তি উত্থাপন হৈছিল নেকি, সেই বিষয়েও জানিব বিচৰা হৈছে। সিদ্ধান্তসমূহ সর্বসম্মতিক্রমে গ্রহণ কৰা হৈছিল নে সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত, তাৰ নথি-পত্র আৰু বৈঠকৰ কার্যবিৱৰণী প্রকাশৰো দাবী জনোৱা হৈছে।

ইয়াৰ উপৰি পশ্চিমবংগত নির্বাচনী তালিকাত নাম অন্তর্ভুক্ত কৰাৰ নির্দেশৰ বিৰুদ্ধে নির্বাচন আয়োগে দাখিল কৰা আপীল, Form 7-ৰ জৰিয়তে দাখিল কৰা আপত্তি আৰু অনলাইন Form 6 আবেদনত অতিৰিক্ত ঘোষণা সংযোজনৰ সিদ্ধান্ত সন্দর্ভতো প্রশ্ন উত্থাপন কৰা হৈছে।

SIR-ৰ পূর্বৰ, খচৰা আৰু চূড়ান্ত ভোটাৰ তালিকাৰ মাজত কিমানগৰাকী ভোটাৰৰ নাম বাদ পৰিল, তাৰ ৰাজ্যভিত্তিক আৰু লিংগভিত্তিক তথ্যও বিচাৰিছে আবেদনকাৰীসকলে।

উল্লেখ্য যে, নির্বাচনী তালিকাৰ সংশোধন আৰু নির্বাচন আয়োগৰ ভিতৰত মতানৈক্যৰ অভিযোগক কেন্দ্র কৰি চলি থকা বিতর্কৰ মাজতে এই আবেদন দাখিল কৰা হৈছে। প্রতিবেদন অনুসৰি, বিষয়টো ১৭ নৱেম্বৰত উচ্চতম

ন্যায়ালয়ত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3686/sir-election-commission-opposition-supreme-court